অধ্যায় ৮ ঃ অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ সৈতে বাংলা আৰু উড়িয়া ভাষাৰ তুলনা

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ বাংলা ভাষাৰ ৰূপতত্ত্ব

৮.৪ উড়িয়া ভাষাৰ ৰূপতত্ত্ব

৮.৫ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ৰূপতত্ত্বৰ তুলনামূলক বিচাৰ

৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৭ অধিক জানিবলৈ

৮.৮ অগ্রগতিৰ খতিয়ান

৮.৯ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বাংলা ভাষাৰ ৰূপতত্ত্বৰ বিভিন্ন দিশ, যেনে— বচন, লিংগ, প্রত্যয়, কাৰক, বিশেষণ আৰু বিশেষণৰ তুলনা, সর্বনাম, ক্রিয়া আদিৰ বিষয়ে জানিব পাৰিব
- উড়িয়া ভাষাৰ ৰূপতত্ত্বৰ বিভিন্ন বিভিন্ন দিশ, যেনে— বচন, লিংগ, প্রত্যয়, কাৰক, বিশেষণ আৰু বিশেষণৰ তুলনা, সর্বনাম, ক্রিয়া আদিৰ বিষয়ে এক সম্যক ধাৰণা লাভ কৰিব পাৰিব
- অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ মাজত থকা ৰূপগত সাদৃশ্য আৰু পার্থক্যসমূহ আলোচনা কৰিব পাৰিব

৮.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি অসমীয়া ভাষাৰ ধ্বনিতত্ত্বৰ সৈতে বাংলা আৰু উড়িয়া ভাষাৰ ধ্বনিতত্ত্বৰ তুলনামূলক অধ্যয়ন কৰিলে। সেই আলোচনাৰ প্রসংগত আপুনি অৱগত হ'ল যে অসমীয়া ভাষাৰ সৈতে এই দুয়োটা ভাষা একে গোত্রৰ অন্তর্গত। এইটো অধ্যায়ত অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ সৈতে বাংলা আৰু উড়িয়া ভাষাৰ ৰূপতত্ত্বৰ তুলনামূলক অধ্যয়ন কৰিব।

ইতিমধ্যে এইখন পাঠ্যবিষয়ৰ চতুর্থ, পঞ্চম আৰু ষষ্ঠ অধ্যায়ত আপুনি ৰূপতত্ত্বৰ সাধাৰণ পৰিচিতি লাভ কৰাৰ লগতে অসমীয়া ভাষাৰ ৰূপতত্ত্ব সম্পর্কেও বহলাই অধ্যয়ন কৰি আহিছে।

সেই অধ্যয়নৰ আধাৰতেই আমি এইটো অধ্যায়ত বাংলা আৰু উড়িয়া ভাষাৰ ৰূপতত্ত্বৰ সৈতে অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ তুলনামূলক অধ্যয়নৰ চমু পৰিচয় দাঙি ধৰিবলৈ যত্ন কৰিম। ৰূপতত্ত্বৰ লগত সম্পৰ্কীত সকলোখিনি কথা এটা অধ্যায়ত অন্তৰ্ভুক্ত কৰি আলোচনা কৰাটো সম্ভৱ নহয়। সেয়ে সামগ্রিকভাৱেহে ইয়াত সেই বিষয়ে আলোচনা সন্নিৱিষ্ট কৰা হ'ব। দুয়োটা ভাষাৰে ৰূপতত্ত্বৰ বিভিন্ন দিশৰ আলোচনা তথা অসমীয়া ভাষাৰ লগত বাংলা আৰু উড়িয়া ভাষাৰ ৰূপতত্ত্বৰ তুলনামূলক অধ্যয়নে অসমীয়া ভাষাৰ লগত দুয়ো ভাষাৰ সম্পর্ক বিচাৰ কৰাত আপোনাক সহায় কৰিব।

৮.৩ বাংলা ভাষাৰ ৰূপতত্ত্ব

ৰূপতাত্ত্বিক দিশত বা ৰূপ সংযোগ প্রণালীৰ ক্ষেত্রত অসমীয়া ভাষাৰ দৰে বাংলা ভাষাৰো কিছুমান নিজস্ব বৈশিষ্ট্য আছে। প্রত্যেক ভাষাৰে ৰূপ সংযোগৰ একোটা নির্দিষ্ট প্রণালী আছে। ভাষাভেদে ৰূপবোৰ বেলেগ বেলেগ আৰু সেয়ে প্রত্যেক ভাষাৰে ৰূপ সংযোগ ৰীতিও সুকীয়া সুকীয়া। তলত বাংলা ভাষাৰ ৰূপতত্ত্বৰ কেইটিমান বিশেষ দিশ সম্পর্কে আলোচনা কৰা হ'ল—

- **বচন ঃ** আধুনিক ভাৰতীয় আর্য ভাষাৰ অন্যতম বাংলা ভাষাতো বচন দুটা— একবচন আৰু বহুবচন। বাংলা ভাষাত এই দুয়োবিধ বচন বুজোৱা উপায়বোৰ বেলেগ বেলেগ।

  বাংলা ভাষাত শব্দৰ মূল ৰূপটোৱেই অকলে একবচনৰ অর্থ প্রকাশ কৰে, যেনে— দাদাকে। কেতিয়াবা এক যোগ কৰি, যেনে— এক ছিল ৰাজা; নির্দিষ্টতাবাচক প্রত্যয় (টা, টি, খানি, খানা, গাছি ইত্যাদি) যোগ কৰিও একবচনৰ ৰূপ কৰা হয়, যেনে— মানুষটা, মেয়েটি। প্রধানতঃ এইকেইটা উপায়ৰ দ্বাৰা বাংলা ভাষাত একবচন বুজোৱা হয়।

  বাংলা ভাষাত বিশেষ্য বা সর্বনাম শব্দত -ৰা, -এৰা, -গুলি, -গুলো, -দেৰ, -দিগকে ইত্যাদি বহুবচনাত্মক প্রত্যয় যোগ কৰি বহুবচনৰ অর্থ প্রকাশ কৰা হয়; যেনে — তাৰা, পাগলেৰা, বইগুলি, গাছগুলো, ছেলেদের, আমাদিগ ইত্যাদি। ঠিক সেইদৰে প্রাণীবাচক আৰু অপ্রাণীবাচক তৎসম শব্দৰ পাছত সমষ্টিবাচক শব্দৰ সংযোগ কৰি বহুবচনৰ অর্থ প্রকাশ কৰিব পাৰিব। এই শব্দ বা প্রত্যয়সমূহৰ কিছুমান সংস্কৃত আৰু কিছুমান অনা-সংস্কৃত। বাংলা ভাষাত এনে সমষ্টিবাচক শব্দ যথেষ্ট পোৱা যায়। যেনে — ৰচনাৱলী (আৱলী), তাৰাদল (দল), শব্দগুচ্ছ (গুচ্ছ), গুণীমহল (মহল), গুণগ্রাম (গ্রাম), নক্ষত্রমণ্ডলী (মণ্ডলী) ইত্যাদি।

  'অনেক', 'সব' আদি বহুবচনবাচক শব্দৰ যোগ্যতো বহুবচনৰ অর্থ প্রকাশ কৰিব পাৰি। যেনে— অনেক কাজ পড়ে আছে, সব বই কিনেছ? শব্দৰ দ্বিত্ব প্রয়োগৰ দ্বাৰাও বাংলা ভাষাত ভাষাত বহুবচনৰ অর্থ প্রকাশ কৰা হয়। অর্থাৎ বিশেষ্য, বিশেষণ, সর্বনাম ইত্যাদি পদৰ ওচৰা-উচৰিকৈ দুবাৰ প্রয়োগ কৰি বহুবচনৰ ৰূপ কৰিব পাৰি। যেনে— মেঘে মেঘে বৃষ্টি নাই, এমন কচি কচি আম, কেউ কেউ একথা বলেন, ছোট ছোট লোক ইত্যাদি। উল্লেখযোগ্য যে কেতিয়াবা বিনয়ৰ ক্ষেত্রতো বহুবচনৰ প্রয়োগ হোৱা দেখা যায়। বাংলা

ভাষাত দ্বিবচন পোৱা নাযায় যদিও দুটা বুজোৱা শব্দৰ যোগত দ্বিবচনৰ ৰূপ কৰা হয়। যেনে— দুই ঘৰে, দুজন মানুষ, দুই পক্ষী, দুই চকা ইত্যাদি।

- **লিংগ ঃ** ভাষাবিদ সুনীতি কুমাৰ চেটার্জীয়ে বাংলা ভাষাৰ তিনিবিধ লিংগৰ কথা উল্লেখ কৰিছে— পুংলিংগ, স্ত্রীলিংগ আৰু ক্লীৱলিংগ। পুৰুষ বা মতা অর্থ প্রকাশ কৰিলে পুংলিংগ, স্ত্রী বা মাইকী অর্থ প্রকাশ কৰিলে তাক স্ত্রীলিংগ আৰু পুৰুষ-স্ত্রীৰ ধাৰণা দিব নোৱাৰা অপ্রাণীবাচক ৰূপবোৰক ক্লীবলিংগ বোলা হয়। অন্যান্য আধুনিক ভাৰতীয় আর্যভাষাৰ দৰে বাংলাতো পুংলিংগ আৰু ক্লীৱলিংগ একাকাৰ হৈ গৈছে।

  বাংলা ভাষাত প্রাণীবাচক শব্দসমূহৰ ক্ষেত্রত মতা-মাইকীৰ লিংগ ভেদ কৰা হয়। অর্থাৎ বাংলা ভাষাত শব্দৰ অর্থৰ ওপৰত নির্ভৰ কৰি লিংগ নির্ণয় কৰা হয়। পুৰুষ আৰু স্ত্রীবাচক পৃথক পৃথক শব্দ প্রয়োগ কৰি বাংলা ভাষাত লিংগ নিৰূপণ কৰা হয়। নিদর্শন স্বৰূপে ঃ ভাই —বোন, শ্বশুৰ — শাশুড়ী। পুংলিংগবাচক শব্দৰ পিছত বিভিন্ন স্ত্রী প্রত্যয় সংযোগ কৰি বাংলা ভাষাত স্ত্রীলিংগৰ ৰূপ সাধন কৰা হয়। বাংলা ভাষাত মূল স্ত্রী প্রত্যয় দুটা— ই/ঈ আৰ ন। 'ন' প্রত্যয়ৰ কেইবাটাও প্রসাৰিত ৰূপ আছে। সেইবোৰ হ'ল— নী, নি, আনী, ইনি, উনি আদি। চলিত বাংলা ভাষাত ই, নী, অনি, আনী, ইনি, উনি আদি কেইবাটাও স্ত্রী প্রত্যয় পোৱা যায়। ঠিক সেইদৰে বাংলা ভাষাত লিংগ নিৰপেক্ষ ৰূপৰ আগত বেটা/পুৰুষ/মাদ্দা আদি পুংলিংগবাচক শব্দ আৰু মহিলা/মেয়ে/মাদি আদি স্ত্রীলিংগবাচক ভিন্ ভিন্ শব্দ প্রয়োগ কৰি লিংগ নির্ণয় কৰা হয়। যেনে ঃ পুৰুষ যাত্রী — মহিলা যাত্রী।

  বাংলা ভাষাত এনে কিছুমান শব্দৰ প্রয়োগ আছে যিবোৰ শব্দ নিত্য পুংলিংগবাচক আৰু নিত্য স্ত্রীলিংগবাচক। এনে ধৰণৰ শব্দৰ প্রয়োগৰ দ্বাৰাও বাংলা ভাষাত লিংগ নিৰূপণ কৰিব পাৰি। এনে শব্দৰ নিদর্শন হ'ল— কবিৰাজ, কুস্তিগিৰি, বিপত্নীক (নিত্য পুংলিংগবাচক); সতিন, ৰূপসী, ধাই, বিধৱা (নিত্য স্ত্রীলিংগবাচক)।

  লিংগৰ ক্ষেত্রত বাংলা ভাষাত উদাসিনতা পৰিলক্ষিত হয়। বিশেষকৈ কথিত ভাষাৰ ক্ষেত্রত এই কথা লক্ষ্য কৰা যায়। তথাপি সংস্কৃতৰ অনুকৰণত বহু সময়ত স্ত্রীলিংগ বিশেষণ প্রয়োগ কৰা দেখা যায়। বাংলা ভাষাৰ স্ত্রীলিংগ বিশেষণৰ দুটামান ৰূপ হ'ল— সবলা নাৰী, মহিয়সী মহিলা, বিদূষী নাৰী, বুদ্ধিমতী মেয়ে, বিপুলা পৃথিৱী, কনিষ্ঠা কন্যা ইত্যাদি। গতিকে বাংলা ভাষাৰ লিংগ প্রকৰণৰ ক্ষেত্রত কিছুমান নিজস্ব বৈশিষ্ট্য দেখা যায়।

- **নির্দিষ্টতাবাচক প্রত্যয় ঃ** যিবোৰ প্রত্যয়ে বিশেষ্য, বিশেষণ, সর্বনাম আৰু সংখ্যাবাচক শব্দৰ পিছত যোগ হৈ কোনো বস্তুৰ আকৃতি, প্রকৃতি, পৰিমাণ, সংখ্যা ইত্যাদি নির্দিষ্টকৈ দেখুৱাই দিয়ে তেনেবোৰ প্রত্যয়ক নির্দিষ্টতাবাচক প্রত্যয় বোলা হয়। আধুনিক ভাৰতীয় আর্য ভাষাবোৰত কম-বেছি পৰিমাণে নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রয়োগ দেখিবলৈ পোৱা যায়। বাংলা ভাষাত নির্দিষ্টতাবাচক প্রত্যয়ৰ সংখ্যা যথেষ্ট সীমিত। বিশেষ্য বা বিশেষণক বিশেষভাৱে নির্দেশ কৰাৰ বাবে কেইটামান শব্দ বা শব্দাংশ বাংলা ভাষাত প্রত্যয়ৰ দৰে ব্যৱহাৰ হয়। মূলতঃ অধিকাংশ ক্ষেত্রত 'টা' আৰু 'টি' প্রত্যয় সংযোগ কৰা হয় যদিও — টু,

খান,খানি, খানা, টুক, টুকু, গাছ, গাছি, গাছা, গোটা, গোটি, টুকুন, থান, জন আদি নিদিষ্টতা বাচক প্রত্যয় ব্যৱহাৰ কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বাংলা ভাষাত শব্দৰ মূল ৰূপটোৱেই অকলে একবচনৰ অর্থ প্রকাশ কৰেনে?

.....

প্রশ্ন নং ২ ঃ বাংলা ভাষাৰ চাৰিটা নির্দিষ্টতাবাচক প্রত্যয় উল্লেখ কৰক।

.....

- **বিশেষণ আৰু বিশেষণৰ তুলনা ঃ** বাংলা ভাষাৰ বিশেষণবোৰক দুটা ভাগত ভাগ কৰিব পাৰি— নাম বিশেষণ আৰু ক্রিয়া বিশেষণ। বিশেষ্য, বিশেষণ আৰু সর্বনাম পদক একেলগে নামপদ বুলি কোৱা হয় আৰু সেই অনুযায়ী বাংলা ভাষাত নামবিশেষণ তিনি প্রকাৰৰ। এই কেইবিধ হ'ল— বিশেষ্যৰ বিশেষণ, বিশেষণীয় বিশেষণ আৰু সর্বনামীয় বিশেষণ।

  বাংলাৰ বিশেষ্যৰ বিশেষণ— গুণবাচক, অৱস্থাবাচক, সংখ্যাবাচক, পৰিমাণবাচক, বর্ণবাচক ইত্যাদি বিভিন্ন প্রকাৰৰ হোৱা দেখা যায়। ঠিক সেইদৰে ক্রিয়া বিশেষণবোৰক — অৱস্থাবাচক, কালবাচক, স্থানবাচক ইত্যাদি বিভিন্ন ভাগত ভগাব পাৰি। বাংলা ভাষাত এই আটাইকেইবিধ বিশেষণৰ উপৰি— সম্বন্ধ বিশেষণ, অব্যয় বিশেষণ, ধ্বন্যাত্মক বিশেষণ, বিধেয় বিশেষণ ইত্যাদি বিশেষণ শব্দ পোৱা যায়।

  বাংলা ভাষাত দুই ধৰণে বিশেষণৰ তুলনা বুজোৱা হয়। এটা হ'ল সংস্কৃতীয়া আৰু আনটো হ'ল খাটী বাংলা। সংস্কৃতত দুটাৰ মাজত তুলনা কৰি বিশেষণৰ তাৰতম্য বুজাবলৈ 'তৰ' আৰু 'ঈয়স' প্রত্যয় যোগ কৰা হয় আৰু বহুতৰ মাজত তুলনা কৰি তাৰতম্য বুজাবৰ বাবে 'তম' আৰু 'ইষ্ঠ' প্রত্যয় যোগ কৰা হয়। সংস্কৃতত বিশেষণ শব্দৰ পাছত লগ লগা এই প্রত্যয়কেইটা বাংলা ভাষাতো লগ লগাই বিশেষণৰ তুলনা কৰা হয়। যেনে —

  গুৰু — গুৰুতৰ/গৰীয়ান — গুৰুতম/গৰিষ্ঠ

  লঘু — লঘুতৰ/লঘীয়ান — লঘুতম/লঘিষ্ঠ

  খাটী বাংলা ভাষাত বিশেষণৰ তাৰতম্য বুজাবৰ বাবে কোনো প্রত্যয় যোগ নহয়। সেইবাবে বাংলা নিয়ম অনুযায়ী বিশেষণৰ তাৰতম্য প্রকাশ কৰিলে বিশেষণ পদটি অবিকৃত হৈ থাকে। বাংলা ভাষাত দুটাৰ মাজত তুলনা কৰিবলৈ হ'লে তুলনা কৰা ব্যক্তি, বস্তু বা বিষয়ৰ পাছত অপেক্ষা, চেয়ে, থেকে, হতে, হইতে, চাইতে, চাহিতে ইত্যাদি অনুসর্গ সংযোগ কৰা হয়। নিদর্শন স্বৰূপে— দিল্লী অপেক্ষা কলিকাতাৰ জনসংখ্যা বেশী। তেনেদৰে — দুই এৰ মধ্যে, সবাৰ মধ্যে, তুলনায় ইত্যাদি পদৰ সংযোগেৰেও বিশেষণৰ তাৰতম্য বুজোৱা হয়, যেনে — গোৰু এবং কুকুৰ এই দুইয়েৰ মধ্যে গোৰু উপকাৰী। বহুতৰ মাজত তুলনা কৰি এটাৰ উৎকর্ষ-

অপকর্ষ বুজাবলৈ বিশেষণৰ আগত সবচেয়ে, সবথেকে, সর্বাপেক্ষা, সকলেৰ থেকে ইত্যাদি শব্দ প্রয়োগ কৰা হয়। নিদর্শন স্বৰূপে— এই গাছৰ আম সবচেয়ে মিষ্টি।

আনহাতে তুলনাৰ ক্ষেত্রত উৎকর্ষ-অপকর্ষৰ মাত্রা বেছি বুজালে, পার্থক্য বা ব্যৱধান অধিক হ'লে বিশেষণৰ আগত অর্থ অনুযায়ী অধিক, অনেক, অত্যন্ত, বেশী, অল্প, একটু, অনেকটা আদি বিশেষণ শব্দ প্রয়োগ কৰা হয়। নিদর্শন স্বৰূপে— অর্থৰ চেয়ে বিদ্যা অধিক কাম্য।

- **কাৰক আৰু শব্দবিভক্তি ঃ** বাংলা ভাষাৰ ৰূপতত্ত্বৰ এক অন্যতম দিশ কাৰক আৰু শব্দবিভক্তি। বাংলা ভাষাত ক্রিয়াপদে আন পদৰ লগত ছয় ধৰণে সম্পর্ক স্থাপন কৰে আৰু তাৰ ওপৰত ভিত্তি কৰি বাংলা ভাষাত কাৰক ৬ বিধ। ইয়াৰ উপৰি সম্বন্ধপদ নামৰ আন এবিধ পদ পোৱা যায়। গতিকে সম্বন্ধ পদক ধৰি বাংলা ভাষাত কাৰক ৭ বিধ— কর্তা কাৰক, কর্ম কাৰক, কৰণ কাৰক, সম্প্রদান কাৰক, অপাদান কাৰক, সম্বন্ধ পদ আৰু অধিকৰণ কাৰক।

সেইদৰে প্রতিটো পদৰ লগত ক্রিয়াপদৰ সম্বন্ধ হওতে সম্বন্ধটো যাৰ দ্বাৰা নির্ণয় কৰা হয় তাক শব্দবিভক্তি বোলা হয়। বাংলা ভাষাত (সম্বন্ধ পদক ধৰি) ৭ বিধ শব্দবিভক্তি পোৱা যায়। সেইকেইবিধ হ'ল— প্রথমা বিভক্তি, দ্বিতীয় বিভক্তি, তৃতীয়া বিভক্তি, চতুর্থী বিভক্তি, পঞ্চমী বিভক্তি, ষষ্ঠী বিভক্তি আৰু সপ্তমী বিভক্তি। বাংলা ভাষাৰ কাৰক আৰু শব্দ বিভক্তিৰ তালিকাখন এনে ধৰণৰ—

কাৰক	শব্দবিভক্তি	বিভক্তিৰ চিন/অনুসর্গ
কর্তা কাৰক	প্রথমা	ϕ, এ, তে, এতে
কর্ম কাৰক	দ্বিতীয়া	ϕ, কে, এ, য়
কৰণ কাৰক	তৃতীয়া	এ, তে, দ্বাৰা, দিয়া, কৰে, কৰিয়া
সম্প্রদান/নিমিত্ত কাৰক	চতুর্থী	এ, কে, ৰে, জন্যে, লাগি, থেকে, হতে
অপাদান কাৰক	পঞ্চমী	এ, কে, তে, হতে, থেকে, দিয়া
অধিকৰণ কাৰক	সপ্তমী	ϕ, এ, তে, য়, কে
সম্বন্ধ পদ	ষষ্ঠী	ৰ, এৰ

অৱশ্যে — দ্বাৰা, দিয়া, কৰিয়া, কৰে আদি অনুসর্গ যোগ কৰণ কাৰক; জন্যে, লাগি, থেকে, হতে আদি অনুসর্গ যোগ কৰি সম্প্রদান বা নিমিত্ত কাৰক; হতে, থেকে, দিয়া আদি অনুসর্গ যোগ কৰিও অপাদান কাৰক বুজোৱা হয়। এই আলোচনাৰ পৰা গম পোৱা গ'ল যে বাংলা ভাষাত কাৰকৰ অর্থ প্রকাশ কৰিবলৈ দুটা পদ্ধতি অৱলম্বন কৰা হয়। সেই পদ্ধতি দুটা হ'ল— বিভিন্ন পদত শব্দ বিভক্তি সংযোগ কৰি অনুসর্গ সংযোগ কৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ খাটী বাংলা ভাষাত বিশেষণৰ তাৰতম্য বুজাবৰ বাবে কি প্রত্যয় যোগ কৰা হয়?

.....

প্ৰশ্ন নং ৪ ঃ বাংলা ভাষাত সম্বন্ধ পদক ধৰি কেইবিধ শব্দবিভক্তি পোৱা যায়?

.....

- **সৰ্বনাম আৰু সৰ্বনামীয় ৰূপ ঃ** বাংলা ভাষাৰ সৰ্বনামসমূহক কেইবাটাও ভাগত ভগাব পাৰি। এইকেইটা হৈছে— ব্যক্তিবাচক সৰ্বনাম, নিৰ্দেশক সৰ্বনাম, অনিৰ্দেশক সৰ্বনাম, সাকল্যবাচক সৰ্বনাম, সম্বন্ধবাচক সৰ্বনাম, প্ৰশ্নসূচক সৰ্বনাম, আত্মবাচক সৰ্বনাম আৰু ব্যতিহাৰিক সৰ্বনাম।

ব্যক্তিবাচক সৰ্বনামে পুৰুষ অনুযায়ী কোনো ব্যক্তিক বুজায়। বাংলা ভাষাত পুৰুষ তিনিবিধ— প্ৰথম পুৰুষ, দ্বিতীয় পুৰুষ আৰু তৃতীয় পুৰুষ। ব্যক্তিবাচক সৰ্বনামবোৰকো এই তিনিটা পুৰুষ অনুযায়ী ভাগ কৰিব পাৰি। বাংলা ভাষাৰ ব্যক্তিবাচক সৰ্বনামবোৰ হ'ল—

পুৰুষবাচক সৰ্বনাম	**একবচন**	**তিৰ্যক ৰূপ**	**বহুবচন**
প্ৰথম পুৰুষ	আমি	আমা	আম্ৰা
দ্বিতীয় পুৰুষ			
তুচ্চ	তুই	তো	তোৰা
মান্য	তুমি	তোমা	তোম্ৰা
অধিক মান্য	আপ্নি	আপ্না	আপ্নাৰা/আপ্নাদেৰ
	সে	তাহা/তা	তাহাৰা/তাৰা
তৃতীয় পুৰুষ	তিনি	তাঁহা/তাঁ	তাঁহাৰা/তাঁৰা

উল্লেখ্যযোগ্য যে বাংলা ভাষাৰ কিছুমান সৰ্বনাম শব্দৰ পাছত শব্দবিভক্তি যোগ কৰিলে কেতিয়াবা মূল শব্দটোৰ কিছু পৰিবৰ্তন হয়। এই অতিৰিক্ত ৰূপবোৰক তিৰ্যক ৰূপ বোলা হয়। ওপৰৰ তালিকাত উল্লিখিত আমা, তোমা, তো, আপ্না, তাহা, তা আদি ৰূপবোৰ হ'ল সৰ্বনামৰ তিৰ্যক ৰূপ।

যিবোৰ সৰ্বনামে কোনো ব্যক্তি বা বস্তুক নিৰ্দেশ কৰে সেইবোৰ সৰ্বনামক নিৰ্দেশক সৰ্বনাম বোলে। বাংলা ভাষাৰ নিৰ্দেশক সৰ্বনামবোৰ দুটা ভাগত বিভক্তি— সামীপ্যবাচক আৰু দূৰত্ববাচক। অৰ্থাৎ ওচৰৰ ব্যক্তি বা বস্তুক নিৰ্দেশ কৰা সৰ্বনামবোৰ সামীপ্যবাচক আৰু দূৰৰ ব্যক্তি বা বস্তুক নিৰ্দেশ কৰা সৰ্বনামবোৰ দূৰত্ববাচক। যেনে—

নিৰ্দেশক সৰ্বনাম	**একবচন**	**বহুবচন**
সামীপ্যবাচক	এই, ইনি, ইহা	ইহাৰা, এসব, এইগুলি
দূৰত্ববাচক	ও, উনি, উহা	ওৰা, উহাৰা, ওগুলি, ওনাৰা

যিবোৰ সৰ্বনাম কোনো অনিৰ্দিষ্ট বস্তু বা ব্যক্তিৰ পৰিৱৰ্তে প্ৰয়োগ হয় সেইবোৰক অনিৰ্দেশক সৰ্বনাম বোলে। যেনে— কেহ, কেউ, কিছু, কাৰো ইত্যাদি। সমষ্টিবাচক বস্তু, ব্যক্তি বা ভাবৰ পৰিৱৰ্তে যিবোৰ সৰ্বনাম প্ৰয়োগ হয় সেইবোৰ সৰ্বনামক সাকল্যবাচক সৰ্বনাম বোলে। যেনে— উভয়, সব, সকল, সবাই, সব, কিছু ইত্যাদি। যিবোৰ সৰ্বনামে দুই বা ততোধিক ব্যক্তি বা বস্তুৰ

মাজত সংযোগ স্থাপন কৰে সেইবোৰক সম্বন্ধবাচক সর্বনাম বোলে। যেনে— যে, যাহা, যিনি, যাহাৰা, যেগুলি, ইত্যাদি। কোনো কথা জানিবৰ বাবে ইচ্ছা প্ৰকাশ কৰি যিবোৰ সর্বনাম প্ৰয়োগ কৰা হয় সেইবোৰেই প্ৰশ্নবাচক সর্বনাম। যেনে— কে, কি, কোন, কাহা, কাহেৰ, কিসব, কাৰা আদি। কাৰো সহায় নোলোৱাৰ ভাবটো বিশেষভাৱে প্ৰকট কৰি তুলিবৰ বাবে যিবোৰ সর্বনাম প্ৰয়োগ কৰা হয় তেনেবোৰ সর্বনামক আত্মবাচক সর্বনাম বোলে। যেনে— নিজ, স্বয়ং, আপনি আদি। পৰস্পৰৰ অর্থে বা স্বেচ্ছাই অর্থে যিবোৰ সর্বনাম প্ৰয়োগ কৰা হয় সেইবোৰ সর্বনামক ব্যক্তিহাৰিক সর্বনাম বোলে। যেনে— নিজে নিজে, আপনা-আপুনি আদি।

বাংলা ভাষাৰ সর্বনামৰ ক্ষেত্ৰত দুটামান বিশেষত্ব পৰিলক্ষিত হয়। ব্যক্তিবাচক সর্বনামৰ ক্ষেত্ৰত দ্বিতীয় পুৰুষত তিনিটা ৰূপ পোৱা যায়। তদুপৰি এই সর্বনামকেইটাৰ তির্যক ৰূপৰ পিচত বিভক্তি সংযোগ হোৱা পদ্ধতিটোও মন কৰিবলগীয়া।

- **ক্ৰিয়া ঃ** বাংলা ভাষাৰ ক্ৰিয়াপদৰ বিষয়ে আলোচনা কৰিবলৈ হ'লে ক্ৰিয়াপদৰ অন্তর্গত ক্ৰিয়ামূল বা ধাতু, ক্ৰিয়াৰ প্ৰকাৰ, ক্ৰিয়াৰ কাল, ক্ৰিয়াৰ ভাব, ক্ৰিয়াৰ বাচ্য— ইত্যাদি বিষয়বোৰ আলোচনাৰ অন্তর্ভুক্ত হয়।

  বাংলা ভাষাত ধাতুৰ সংখ্যা ডেৰ হাজাৰৰো অধিক হ'ব বুলি পণ্ডিতসকলে অনুমান কৰিছে। প্ৰকৃতি আৰু উৎপত্তিৰ ফালৰ পৰা বাংলা ভাষাৰ ধাতুসমূহক সুনীতি কুমাৰ চেটার্জীয়ে দুটা ভাগত ভাগ কৰিছে। যথা — মৌলিক বা মুখ্য ধাতু আৰু সাধিত বা গৌণ ধাতু।

  বাংলা ভাষাৰ মৌলিক ধাতুসমূহক — তদ্ভৱ ধাতু, সংস্কৃতৰ পাচনী ধাতুৰ পৰা উদ্ভূত ধাতু, তৎসম আৰু অর্দ্ধতৎসম ধাতু আৰু সংশয়াত্মক ধাতু— এই চাৰিটা ভাগত ভাগ কৰা হৈছে। বাংলা ভাষাৰ তদ্ভৱ ধাতুবোৰ দুই ধৰণৰ— সাধাৰণ ধাতু {√কৰ (কৃ), √পড় (পঠ)}, আৰু উপসর্গযুক্ত ধাতু{√উপজ (উদ্ √পদ) }আদি। বাংলা ভাষাৰ কিছুমান ধাতু সংস্কৃতত প্ৰয়োগ হোৱা পাঁচনী ক্ৰিয়া ৰূপৰ পৰা আহিছে, যেনে — √গাল (গালয়তি), √মাৰ (মাৰয়তি)। বাংলা ভাষাত কিছুমান সংস্কৃত ধাতু যিটো ৰূপত আছিল তেনেদৰেই ব্যৱহাৰ হৈছে আৰু কিছুমান সংস্কৃতৰ পৰা কিছু পৰিবর্তিত ৰূপত ব্যৱহাৰ হৈছে। এইবোৰক তৎসম আৰু অর্দ্ধতৎসম ধাতু বোলা হয়। বাংলা ভাষাত প্ৰয়োগ হোৱা এনে ধাতুৰ নিদর্শন হ'ল— √স্মৰ, √গর্জ, √বন্দ, √বর্জ ইত্যাদি। বাংলা ভাষাত কিছুমান ধাতু আছে যিবোৰ ধাতু সংস্কৃতৰ পৰা অহা নহয়। এই ধাতুবোৰৰ মূল জনা নাযায়। অজ্ঞাত মূলৰ এই ধাতুবোৰক দেশী ধাতু বোলা হয়। নিদর্শন স্বৰূপে— √এড়, √কুঁদ, √খাট, √খুঁট আদি।

  মুখ্য ধাতুৰ লগত এক বা একাধিক প্ৰত্যয় যোগ কৰি যিবোৰ ধাতু গঠন কৰা হয় তাকে সাধিত ধাতু বোলে। বাংলা ভাষাৰ সাধিত ধাতুসমূহক আকৌ — পাঁচনী ধাতু, নাম ধাতু, যৌগিক ধাতু, ধ্বন্যাত্মক ধাতু আৰু সংশয়াত্মক ধাতু— এই পাঁচোটা ভাগত ভাগ কৰিব পাৰি।

বাংলা ভাষাৰ ক্রিয়াসমূহক কেইবা ধৰণেও ভাগ কৰিব পাৰি। বাক্যৰ ক্রিয়া সম্পূর্ণ হোৱা-নোহোৱাৰ ওপৰত ভিত্তি কৰি বাংলা ভাষাৰ ক্রিয়াসমূহক সমাপিকা ক্রিয়া আৰু অসমাপিকা ক্রিয়া— এই দুটা ভাগত ভাগ কৰা হৈছে। মন কৰিবলগীয়া যে বাংলা ভাষাত -ইয়া (খা + ইয়া = খাইয়া), -ইলে (খা + ইলে = খাইলে), -ইতে (কহ + ইতে = কহিতে) প্রত্যয়ৰ যোগত অসমাপিকা ক্রিয়া গঠন হোৱা দেখা যায়। আনহাতে ক্রিয়াৰ কর্ম থকা-নথকাৰ ওপৰত ভিত্তি কৰি বাংলা ভাষাৰ ক্রিয়াবোৰক সকর্মক ক্রিয়া আৰু অকর্মক ক্রিয়া এই দুটা ভাগত ভগোৱা হৈছে। তদুপৰি বাংলা ভাষাৰ কিছুমান ক্রিয়াৰ দুটা কর্ম থাকে। এটা মুখ্য কর্ম আৰু আনটো গৌণ কর্ম। ক্রিয়া সম্পন্ন হোৱা-নোহোৱাৰ ওপৰত ভিত্তি কৰি ক্রিয়াবোৰক আস্ত্যর্থক ক্রিয়া (হোৱা অর্থ বুজালে) আৰু নাস্ত্যর্থক ক্রিয়া (নোহোৱা, নকৰা, নঘটা আদি অর্থ প্রকাশ কৰিলে)— এই দুটা ভাগত ভাগ কৰা হৈছে।

বাংলা ভাষাত এনে কিছুমান ক্রিয়া আছে যিবোৰ ক্রিয়াৰ সকলো কাল আৰু পুৰুষত ৰূপ নহয়। এই ক্রিয়াবোৰক অনিয়মিত ক্রিয়া বোলে। এনে কেইটামান ক্রিয়া হ'ল— আস, যা, আছ, বট, কৰ, আ, নহ আদি। যেনে— (ক) আমি যাইলাম, (খ) আপুনি আসব, (গ) আমি কইলাম (ঘ) বৃষ্টি এল (ঙ) আপুনি নয় ইত্যাদি।

যি সময়ত ক্রিয়া অনুষ্ঠিত হয় ক্রিয়াৰ সেই সময়কে কাল বোলে। বাংলা ভাষাত ক্রিয়াৰ কাল তিনি প্রকাৰৰ— বর্তমান, অতীত আৰু ভৱিষ্যৎ। বর্তমান কালৰ দুটা ৰূপ পোৱা যায়— নিত্য বর্তমান আৰু চলিত বর্তমান। অতীত কালৰো মূলতঃ দুটা ৰূপ — সাধাৰণ বা নিত্য অতীত কাল আৰু চলিত অতীত কাল পোৱা যায় যদিও সম্ভাব্য অতীত কাল বুলি আৰু এটা ভাগ পোৱা যায়। যি ক্রিয়াই অতীতত কোনো এটা কাম সম্পন্ন হোৱা বা সম্পন্ন হোৱাৰ সম্ভাৱনা থকা বুজায় তেনে ক্রিয়াৰ কালক সম্ভাব্য অতীত কাল বোলে। সম্ভাব্য অতীত কালৰ ক্রিয়া বুজাবলৈ বাংলা ভাষাত 'ত' প্রত্যয় যোগ কৰা হয়। যেনে— আমি হতাম, আমৰা সকালে নদীৰ ধাৰে বেড়াতাম।

যি বিশিষ্ট ভংগীৰ দ্বাৰা সমাপিকা ক্রিয়াৰ কার্য কেনেদৰে ঘটিছে তাক বুজিব পাৰি সেই বিশিষ্ট ভংগীকে ক্রিয়াৰ ভাব বোলা হয়। বাংলা ভাষাত ক্রিয়াৰ ভাব তিনি প্রকাৰৰ— নির্দেশক ভাব, অনুজ্ঞা ভাব আৰু সংযোজক ভাব। ঠিক সেইদৰে বাংলা ভাষাত বাচ্য চাৰি প্রকাৰৰ— কর্তৃবাচ্য, কর্মবাচ্য, ভাববাচ্য আৰু কর্ম-কর্তৃবাচ্য।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ বাংলা ভাষাৰ নির্দেশক সর্বনামবোৰ কেইটা আৰু কি কি ভাগত ভগাব পাৰি?

.....

.....

প্ৰশ্ন নং ৬ ঃ বাংলা ভাষাৰ মৌলিক ধাতুসমূহক কেইটা আৰু কি কি ভাগত ভাগ কৰা হয়?

.....

৮.৪ উড়িয়া ভাষাৰ ৰূপতত্ত্ব

ৰূপতাত্ত্বিক দিশত উড়িয়া ভাষাৰো কিছুমান সুকীয়া বৈশিষ্ট্য আছে। এই স্বকীয় বৈশিষ্ট্যবোৰেই উড়িয়া ভাষাক সমগোত্ৰীয় আন ভাষাৰ পৰা পৃথক কৰিছে। উড়িয়া ভাষাৰ ৰূপতত্ত্বৰ কেইটিমান বিশেষ দিশ সম্পৰ্কে তলত আলোচনা কৰা হ'ল—

- **বচন ঃ** উড়িয়া ভাষাতো বচন দুবিধ — একবচন আৰু বহুবচন। উড়িয়া ভাষাতো এই দুয়োবিধ বচন বুজোৱা উপায়বোৰ বেলেগ বেলেগ হোৱা দেখা যায়।

  সাধাৰণতে 'টা' বা 'টি' প্ৰত্যয় যোগ কৰি, যেনে— পিলাটা দুষ্ট, ফুলটি সুন্দৰ; সেইদৰে গোটিএ, গোটাএ, গোটিক আদি যোগ কৰি একবচনৰ ৰূপ কৰা হয়, যেনে— ৰাম গোটিএ ভাল পিলা।

  উড়িয়া ভাষাত বহুবচনৰ অৰ্থ প্ৰকাশ কৰিবলৈ কিছুমান প্ৰত্যয় যোগ কৰা হয়। এই প্ৰত্যয়সমূহৰ কিছুমান সংস্কৃতমূলীয় আৰু কিছুমান অনা-সংস্কৃতমূলীয়। উড়িয়া ভাষাৰ কিছুমান বহুবচন বুজোৱা প্ৰত্যয় হ'ল— মণ্ডল (তাৰকামণ্ডল), ব্ৰুন্দ (ছাত্ৰব্ৰুন্দ), ৰাশি (ধনৰাশি), মালা (মেঘমালা), গুড়িক (ধানগুড়িক) আদি। কেতিয়াবা শব্দৰ দ্বিত্ব প্ৰয়োগৰ দ্বাৰা, যেনে— বড় বড় ঘৰ; আৰু কেতিয়াবা প্ৰত্যয়হীনভাৱেও উড়িয়া ভাষাত বহুবচন বুজোৱা হয়। যেনে— আকাশৰে পক্ষী উৰে।

  সংস্কৃতৰ দ্বিবচন উড়িয়া ভাষাতো লুপ্ত হয়। দ্বিবচন বুজাবলৈ উড়িয়া ভাষাত 'দুই' ৰূপটি ব্যৱহাৰ কৰা হয়। নিদৰ্শন স্বৰূপে— দুইটি পিলা, দুইটি লোক আদি। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে উড়িয়া ভাষাৰ বচন ব্যাকৰণগত বিষয়। এই ভাষাত একবচন আৰু বহুবচনৰ ক্ৰিয়া ৰূপৰ মাজত পাৰ্থক্য দেখা যায়। নিদৰ্শনস্বৰূপে— সে অছি (একবচন), সেমানে অচ্ছন্তি (বহুবচন)।

- **লিংগ ঃ** উড়িয়া ভাষাত তিনিবিধ লিংগ (পুংলিংগ, স্ত্ৰীলিংগ, ক্লীবলিংগ) পোৱা যায়। অৱশ্যে এই ভাষাতো ক্লীবলিংগ পুংলিংগৰ লগত একাকাৰ হৈ যোৱাত পুংলিংগ আৰু স্ত্ৰীলিংগ— এই দুবিধ লিংগহে পোৱা যায়। উড়িয়া ভাষাত লিংগ নিৰ্ণয়ৰ কেইবাটাও উপায় আছে।

  পুৰুষ আৰু স্ত্ৰীবাচক সুকীয়া ৰূপৰ প্ৰয়োগ কৰি, যেনে — দিঅৰ - ননন্দ, পুত্ৰ - কন্যা; লিংগ নিৰপেক্ষ শব্দৰ আগত পুংলিংগবাচক 'অন্দিৰা' আৰু স্ত্ৰীলিংগবাচক 'মাই' শব্দ ব্যৱহাৰ কৰি (যেনে— অন্দিৰা কুকুৰ - মাই কুকুৰ) লিংগ বিভাজন কৰা হয়।

  পুংলিংগবাচক শব্দৰ লগত বিভিন্ন স্ত্ৰীপ্ৰত্যয় সংযোগ কৰি স্ত্ৰীলিংগৰ ৰূপ কৰা হয়। উড়িয়া ভাষাত কেইবাটাও স্ত্ৰী প্ৰত্যয় পোৱা যায়। সেইবোৰ হ'ল— আ, ই, ঈ, নি, নী, ইনি, উনী, উলী, ইআনী ইত্যাদি। নিদৰ্শনস্বৰূপে— বৎস - বৎসা (আ), শলা - শালী (ঈ/ই),

মালিক - মালিকিয়ানী (ইআনী) ইত্যাদি। উড়িয়া ভাষাত দুই-এটা নিত্য পুংলিংগবাচক আৰু নিত্য স্ত্রীলিংগবাচক শব্দৰ প্ৰয়োগ পোৱা যায়, যথা— হলুআ, ভেণ্ডিআ (নিত্য পুংলিংগবাচক), বিধবা, সৌতুনী (নিত্য স্ত্রীলিংগবাচক) আদি।

- **নির্দিষ্টতাবাচক প্রত্যয় ঃ** উড়িয়া ভাষাত নির্দিষ্টতাবাচক প্রত্যয়ৰ প্ৰয়োগ সীমিত। 'টা' বা 'টি' প্রত্যয়ৰ ব্যৱহাৰ অধিক যদিও আৰু কিছুমান প্রত্যয়ৰ প্ৰয়োগ হয়, যথা — হল, পল, খণ্ড, বিৰা, জোৰ, জোৰি, পট, ফৰ্দ, জাক ইতাদি। ইয়াৰ পৰাই ধাৰণা কৰিব পাৰি উড়িয়া ভাষাত নির্দিষ্টতাবাচক প্রত্যয়ক প্ৰয়োগ যথেষ্ট সীমিত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ দ্বিবচন বুজাবলৈ উড়িয়া ভাষাত কি ৰূপটি ব্যৱহাৰ কৰা হয়?

.....

প্রশ্ন নং ৮ ঃ উড়িয়া ভাষাত নিত্য পুংলিংগবাচক আৰু নিত্য স্ত্রীলিংগবাচক শব্দৰ দুটাকৈ উদাহৰণ দিয়ক।

.....

- **বিশেষণ আৰু বিশেষণৰ তুলনা ঃ** উড়িয়া ভাষাৰ বিশেষণবোৰক বিশেষ্যৰ বিশেষণ, বিশেষণীয় বিশেষণ, সর্বনামীয় বিশেষণ আৰু ক্রিয়া বিশেষণ আদি ভাগত ভগাব পাৰি। উড়িয়া ভাষাত বিশেষ্যৰ বিশেষণ কেইবা প্রকাৰৰো, যথা — গুণবাচক, অৱস্থাবচক, সংখ্যাবাচক আৰু পৰিমাণবাচক। মন কৰিবলগীয়া যে উড়িয়া ভাষাত আৰু কেই প্রকাৰৰ বিশেষণ পোৱা যায়। সেই কেইবিধ বিশেষণ হ'ল— সম্বন্ধ বিশেষণ, ধ্বন্যাত্মক বিশেষণ, অব্যয় বিশেষণ।

  উড়িয়া ভাষাত দুটা বস্তু বা ব্যক্তি নাইবা বহু ব্যক্তি বা বস্তুৰ তুলনা কৰিবলৈ দুটা পদ্ধতি অৱলম্বন কৰা হয়। এটা হ'ল সংস্কৃতীয়া আৰু আনটো হ'ল খাটী উড়িয়া। সংস্কৃতত দুটাৰ মাজত তুলনা কৰিবলৈ 'তৰ' আৰু 'ঈয়স' প্রত্যয় যোগ কৰা হয় আৰু বহুতৰ মাজত তুলনা কৰিবলৈ 'তম' আৰু 'ইষ্ঠ' প্রত্যয় সংযোগ কৰা হয়। সংস্কৃতৰ এই প্রত্যয়কেইটা সংযোগ কৰি উড়িয়া ভাষাতো বিশেষণৰ তাৰতম্য বুজোৱা হয়। যেনে—

  উচ্চ — উচ্চতৰ — উচ্চতম

  সুন্দৰ — সুন্দৰতৰ — সুন্দৰতম

  উড়িয়া ভাষাত দুটা বস্তু বা ব্যক্তি আৰু বহু বস্তু বা ব্যক্তিৰ তুলনা কৰিবলৈ হ'লে 'ঠাৰু' যোগ দিয়া হয়। এই ভাষাত প্রত্যয় সংযোগৰ ফলত বিশেষণৰ কোনো পৰিবর্তন নহয়। ই সদায় অপৰিবর্তিত হৈ থকা দেখা যায়। যেনে— যদুঠাৰু মধু শান্ত, ৰূপঠাৰু সোণা বহুত বেশী মূল্যবান।

- **কাৰক আৰু শব্দবিভক্তি ঃ** উড়িয়া ভাষাৰ ৰূপতত্ত্বত কাৰক আৰু শব্দবিভক্তিয়ে এক বিশেষ স্থান লাভ কৰিছে। উড়িয়া ভাষাতো কাৰক ছয় প্রকাৰৰ— কর্তা, কর্ম, কৰণ, সম্প্রদান,

অপাদান আৰু অধিকৰণ। এই ছবিধ কাৰকৰ উপৰিও সম্বন্ধ পদ নামৰ আন এবিধ পদ পোৱা যায়।

উড়িয়া ভাষাত এই কাৰককেইবিধ চিনাক্ত কৰি উলিয়াবৰ বাবে কেইটামান শব্দবিভক্তি আছে। সেইকেইটা হ'ল— প্ৰথমা বিভক্তি, দ্বিতীয়া বিভক্তি, তৃতীয়া বিভক্তি, চতুৰ্থী বিভক্তি, পঞ্চমী বিভক্তি, সপ্তমী বিভক্তি আৰু ষষ্ঠী বিভক্তি (সম্বন্ধ পদ বুজাবলৈ)। এই কাৰক আৰু শব্দবিভক্তিৰ তালিকাখন এনে ধৰণৰ—

কাৰক	**শব্দবিভক্তি**	**বিভক্তিৰ চিন/অনুসৰ্গ**
কৰ্তা কাৰক	প্ৰথমা	ϕ, এ
কৰ্ম কাৰক	দ্বিতীয়া	ϕ, কু
কৰণ কাৰক	তৃতীয়া	ৰে, দ্বাৰা
সম্প্ৰদান/নিমিত্ত কাৰক	চতুৰ্থী	কু
অপাদান কাৰক	পঞ্চমী	ৰু, ঠাৰু
অধিকৰণ কাৰক	সপ্তমী	ৰে
সম্বন্ধ পদ	ষষ্ঠী	ৰ, অংকৰ

উড়িয়া ভাষাতো কাৰকৰ অৰ্থ প্ৰকাশ কৰিবলৈ শব্দবিভক্তিৰ লগতে অনুসৰ্গ সংযোগ কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ ঃ উড়িয়া ভাষাত দুটা বস্তু বা ব্যক্তি আৰু বহু বস্তু বা ব্যক্তিৰ তুলনা কৰিবলৈ হ'লে কি যোগ দিয়া হয়?

.....

- **সৰ্বনাম আৰু সৰ্বনামীয় ৰূপ ঃ** উড়িয়া ভাষাৰ সৰ্বনামসমূহক — ব্যক্তি বা পুৰুষবাচক, নিৰ্দেশক, অনিৰ্দেশক, প্ৰশ্নবাচক, সম্বন্ধবাচক, নিজ বাচক আদি ভাগত ভাগ কৰা হয়।

পুৰুষবাচক সৰ্বনামে পুৰুষ অনুযায়ী ব্যক্তিক বুজায়। উড়িয়া ভাষাত প্ৰথম, দ্বিতীয়, তৃতীয়— এই তিনিবিধ পুৰুষ পোৱা যায়। আকৌ দ্বিতীয় পুৰুষৰ তুচ্ছ, মান্য আৰু অধিক মান্য— এই তিনিটা ৰূপ পোৱা যায়। উড়িয়া ভাষাৰ ব্যক্তিবাচক সৰ্বনামৰ তালিকাখন তলত পুৰুষ অনুযায়ী উল্লেখ কৰা হ'ল—

পুৰুষবাচক সৰ্বনাম	**একবচন**	**তিৰ্যক ৰূপ**	**বহুবচন**	**তিৰ্যক ৰূপ**
প্ৰথম পুৰুষ	মুঁ	মো আমভেমানে	আমে	আম্
দ্বিতীয় পুৰুষ				
তুচ্ছ	তু	তো	তুমে	

মান্য	তুমে	তুম্	তুম্হেমানে তমেমানে	
অধিক মান্য	আপন	আপন	আপনমানে	
তৃতীয় পুৰুষ		সে	তা	সে মানে

উড়িয়া ভাষাৰ পুৰুষবাচক সর্বনামসমূহত শব্দবিভক্তি যোগ কৰিলে মূল ৰূপটোৰ কিছু পৰিবর্তন হোৱা দেখা যায়। অর্থাৎ মূল ৰূপৰ লগত প্রত্যয় বা বিভক্তি সংযোগ কৰিলে একোটা অতিৰিক্ত স্বৰ বা ব্যঞ্জন সংযোগ হয়। এই অতিৰিক্ত ৰূপবোৰেই হৈছে তির্যক ৰূপ। উড়িয়া ভাষাৰ পুৰুষবাচক সর্বনামৰ তির্যক ৰূপকেইটা হ'ল— মো, আম্, তো, তুম্, আপন, তা আদি।

উড়িয়া ভাষাৰ নির্দেশক সর্বনাম দুই ধৰণৰ— সামীপ্যবাচক বা দূৰত্ববাচক। সামীপ্যবাচক সর্বনামে (ইএ, এই— একবচন; এইসবু, এইগুড়িক — বহুবচন) ওচৰৰ বস্তু বা ব্যক্তিক নির্দেশ কৰে আৰু দূৰত্ববাচক সর্বনামে (সেইটো, সেই —একবচন; সেইগুড়িক, সেইসবু — বহুবচন) দূৰৰ বস্তু বা ব্যক্তিক নির্দেশ কৰে।

অনির্দেশক কোনো বস্তু বা ব্যক্তিৰ পৰিবর্তে এই অনির্দেশক সর্বনাম প্রয়োগ হয়; যেনে— কেহি, কিছি (একবচন), কেহি (বহুবচন)। কোনো কথা জানিবৰ ইচ্ছা কৰি ব্যৱহাৰ কৰা সর্বনামবোৰ হ'ল প্রশ্নবাচক সর্বনাম; যেনে— কিএ, কণ (একবচন), কেউগুড়িক, কেউমানে, কণ কণ, কণসবু ইত্যাদি। সম্বন্ধবাচক সর্বনামে দুই বা ততোধিক ব্যক্তি বা বস্তুৰ মাজত সম্পর্ক স্থাপন কৰে; যেনে— যেউ (একবচন), যেউঁমানে (বহুবচন)। নিজ বা আত্মবাচক সর্বনামৰ দ্বাৰা কাৰো সহায় নোলোৱাৰ ভাবটো বুজোৱা হয়; যেনে— আপন, নিজে (একবচন), নিজে নিজে (বহুবচন)।

উড়িয়া ভাষাৰ সর্বনামৰ কেতবোৰ বিশেষত্ব হ'ল— ইয়াৰ ব্যক্তিবাচক সর্বনামৰ তির্যক ৰূপ পোৱা যায়। দ্বিতীয় পুৰুষত তিনিটা ৰূপ পোৱা যায়। সেইদৰে সর্বনামৰ বহুবচনত 'মানে' আৰু 'গুড়িক' প্রত্যয় সংযোগ হয়।

- **ক্রিয়া ঃ** উড়িয়া ভাষাৰ ৰূপতত্ত্বত ক্রিয়াৰ ভূমিকা গুৰুত্বপূর্ণ। ক্রিয়াবিভক্তি সংযোগ কৰি ক্রিয়াপদ গঠন কৰা হয়। ক্রিয়াপদ গঠন হওতে ক্রিয়াৰ কাল আৰু তিনিওটা পুৰুষে প্রধান ভূমিকা গ্রহণ কৰে।

উড়িয়া ভাষাৰ ধাতুসমূহক প্রকৃতি আৰু উৎসৰ ফালৰ পৰা দুটা ভাগত ভাগ কৰা হৈছে— মৌলিক ধাতু আৰু সাধিত ধাতু। মৌলিক ধাতুসমূহ পুনৰ চাৰিটা ভাগত বিভক্তি— তদ্ভৱ ধাতু, সংস্কৃত পাঁচনী ধাতুৰ পৰা উদ্ভূত ধাতু, তৎসম আৰু অর্দ্ধতৎসম ধাতু আৰু সংশয়াত্মক ধাতু।

উড়িয়া ভাষাৰ তদ্ভৱ ধাতুবোৰ দুটা ভাগত বিভক্ত — সাধাৰণ ধাতু (√কৰ, √নাচ, √কহ) আৰু উপসর্গযুক্ত ধাতু (√আগম, √বিকাশ, √আচৰ)। উড়িয়া ভাষাতো কিছুমান ধাতু

সংস্কৃত পাঁচনী ক্রিয়াৰ পৰা উদ্ভৱ হৈছে; যেনে— √মাৰ (মাৰয়তি), √হান (হানয়তি) ইত্যাদি। উড়িয়া ভাষাত কিছুমান ধাতু সংস্কৃতত যেনেদৰে আছিল তেনেদৰেই ব্যৱহাৰ হৈছে আৰু কিছুমান অপৰিবর্তিত ৰূপত ব্যৱহাৰ হৈছে। তেনে ধাতুৰ নির্দশন হ'ল — হস, √চুম্ব, √গর্জ (তৎসম ধাতু); √পৰশ, √গৰজ, √বৰষ (অর্দ্ধতৎসম ধাতু)।

উড়িয়া ভাষাত কিছুমান ধাতুৰ মূল জনা নাযায়। এনে ধাতুবোৰক সংশয়াত্মক ধাতু বোলা হয়, যেনে— √আঁচ, √কাচ, √আণ্ট ইত্যাদি।

উড়িয়া ভাষাৰ সাধিত ধাতুসমূহক পাঁচোটা ভাগত ভগাব পাৰি— পাঁচনী ধাতু, নামধাতু, যৌগিক ধাতু, ধ্বন্যাত্মক ধাতু আৰু সংশয়াত্মক ধাতু।

উড়িয়া ভাষাত ক্রিয়া সম্পন্ন হোৱা-নোহোৱাৰ ওপৰত ভিত্তি কৰি ক্রিয়াসমূহক সমাপিকা আৰু অসমাপিকা এই দুটা ভাগত ভাগ কৰা হৈছে। ক্রিয়াৰ কর্ম থকা-নথকাৰ ওপৰত ভিত্তি কৰি ক্রিয়াসমূহক সকর্মক আৰু অকর্মক এই দুটা ভাগত ভাগ কৰা হৈছে। এই দুবিধ ক্রিয়াৰ উপৰি উড়িয়া ভাষাত কিছুমান ক্রিয়া আছে যিবোৰৰ দুটা কর্ম থাকে। নিদর্শনস্বৰূপে— বাপা মাঙ্কু পুৰাণ শুনাউছন্তি, শিক্ষক ছাত্রমানঙ্কু ব্যাকৰণ পঢ়াউছন্তি ইত্যাদি। ক্রিয়া সম্পন্ন হোৱা-নোহোৱাৰ ওপৰত ভিত্তি কৰি উড়িয়া ভাষাৰ ক্রিয়াবোৰক আস্ত্যর্থক (হোৱা অর্থ প্রকাশক) আৰু নাস্ত্যর্থক (নোহোৱা, নকৰা, নঘটা অর্থ প্রকাশক) এই দুটা ভাগত ভগাব পাৰি।

বাংলা ভাষাৰ দৰে উড়িয়া ভাষাতো কিছুমান ক্রিয়াৰ সকলো কাল আৰু পুৰুষত ৰূপ নহয়। এইবোৰেই অনিয়মিত ক্রিয়া। যেনে— কৰ ধাতু (কামটা কৰ), আছ ধাতু (এথাকু আছ), হো ধাতু (পিলামানে ধীৰে ধীৰে বড় হোৱন্তি), যা ধাতু (এথু যা), নে ধাতু (বহিটা নে) ইত্যাদি।

উড়িয়া ভাষাৰ ক্রিয়াৰ কালক প্রধানতঃ তিনিটা ভাগত ভাগ কৰা হৈছে — বর্তমান, অতীত আৰু ভৱিষ্যৎ কাল। বর্তমান কাল দুই ধৰণৰ— নিত্য বা সাধাৰণ বর্তমান আৰু চলিত বা সম্পন্ন বর্তমান। অতীত কাল-ও দুই প্রকাৰৰ— সাধাৰণ অতীত আৰু চলিত বা সম্পন্ন অতীত। ইয়াৰ উপৰিও সম্ভাব্য অতীত (ক্রিয়াই অতীতত এটা কাম সম্পন্ন হোৱাৰ সম্ভাৱনা থকা বুজায়) বুলি এটা ভাগ আছে। আনহাতে উড়িয়া ভাষাৰ ভৱিষ্যৎ কালক সাধাৰণ ভৱিষ্যৎ, অসম্পন্ন ভৱিষ্যৎ আৰু সম্ভাব্য ভৱিষ্যৎ— এইকেইটা ভাগত ভগাব পাৰি।

বাংলা ভাষাৰ দৰে উড়িয়া ভাষাৰ ক্রিয়াৰ ভাব তিনি প্রকাৰৰ— নির্দেশক, অনুজ্ঞা আৰু সংযোজক ভাব। উড়িয়া ভাষাতো ক্রিয়াৰ বাচ্য চাৰি প্রকাৰৰ— কর্তৃবাচ্য, কর্মবাচ্য, ভাববাচ্য আৰু কর্ম-কর্তৃবাচ্য।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১০ ঃ উড়িয়া ভাষাত দ্বিতীয় পুৰুষৰ কেইটা ৰূপ পোৱা যায় ?

.....

প্ৰশ্ন নং ১১ ঃ উড়িয়া ভাষাতো ক্ৰিয়াৰ বাচ্য কেই প্ৰকাৰৰ আৰু কি কি?

.....

৮.৫ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ৰূপতত্ত্বৰ তুলনামূলক বিচাৰ

ইতিমধ্যে আপুনি অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ৰূপতত্ত্বৰ এক সামগ্ৰিক ধাৰণা লাভ কৰিলে। অসমীয়া, বাংলা, উড়িয়া— এই তিনিটা ভাষাৰ ৰূপতাত্ত্বিক দিশৰ আলোচনা কৰিলে এটা কথা পৰিলক্ষিত হয় যে আটাইকেইটা ভাষাৰ মাজত ৰূপতত্ত্বৰ বিভিন্ন দিশত কিছুমান সাদৃশ্য আৰু কিছুমান বৈসাদৃশ্য আছে। তলত তিনিও ভাষাৰে ৰূপতাত্ত্বিক দিশৰ সাদৃশ্য আৰু পাৰ্থক্যসমূহ উল্লেখ কৰা হ'ল—

- অসমীয়া, বাংলা আৰু উড়িয়া এই তিনিও ভাষাতে বচন দুবিধ— একবচন আৰু বহুবচন। তিনিওটা ভাষাতে দ্বিবচনৰ প্ৰয়োগ নাই যদিও 'দুই' বুজোৱা শব্দেৰে আটাইকেইটা ভাষাতে দ্বিবচন বুজোৱা হয়। তিনিও ভাষাতে একবচন আৰু বহুবচন বুজাবলৈ বিভিন্ন প্ৰত্যয় সংযোগ কৰা হয় যদিও তিনিও ভাষাতো প্ৰয়োগ হোৱা প্ৰত্যয়সমূহৰ মাজত কিছু পাৰ্থক্য আছে। অৱশ্যে সংস্কৃতমূলীয় প্ৰত্যয়সমূহ তিনিওটা ভাষাতে একে। আনহাতে উড়িয়া ভাষাত বচন ব্যাকৰণগত বিষয়। কিন্তু অসমীয়া আৰু বাংলা ভাষাত বচন ব্যাকৰণগত নহয়।
- অসমীয়া, বাংলা আৰু উড়িয়া এই তিনিওটা ভাষাতে পুংলিংগ আৰু স্ত্ৰীলিংগ এই দুবিধ লিংগ পোৱা যায় আৰু তিনিওটা ভাষাৰে লিংগ অৰ্থৰ ওপৰত নিৰ্ভৰশীল। তিনিওটা ভাষাতে লিংগ নিৰূপণৰ উপায়বোৰ প্ৰায় একেই। মাত্ৰ তিনিও ভাষাতে প্ৰয়োগ হোৱা শব্দ বা প্ৰত্যয়সমূহ সুকীয়া সুকীয়া। তিনিওটা ভাষাতে কিছুমান নিত্য পুংলিংগবাচক আৰু নিত্য স্ত্ৰীলিংগবাচক শব্দৰ প্ৰয়োগ পোৱা যায় যদিও উড়িয়া ভাষাৰ তুলনাত অসমীয়া আৰু বাংলা ভাষাত এনে শব্দৰ প্ৰয়োগ অধিক দেখা যায়।
- অসমীয়া, বাংলা আৰু উড়িয়া— এই তিনিও ভাষাতে নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ প্ৰয়োগ আছে আৰু 'টা', 'টি' আদি দুটামান নিৰ্দিষ্টতাবাচক প্ৰত্যয় তিনিওটা ভাষাতে একে হোৱা দেখা যায়। অৱশ্যে তিনিওটা ভাষাতে কিছুমান সুকীয়া সুকীয়া নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ প্ৰয়োগ পোৱা যায় আৰু সেইবোৰে ভাষিক স্বকীয়তা প্ৰতিপন্ন কৰে। নিৰ্দিষ্টতাবাচক প্ৰত্যয় প্ৰয়োগৰ ক্ষেত্ৰত বাংলা আৰু উড়িয়া ভাষাৰ তুলনাত অসমীয়া ভাষাত যথেষ্ট চহকী। এক কথাত ক'ব পাৰি — অসমীয়া ভাষাত নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ প্ৰয়োগৰ ক্ষেত্ৰত যি বিচিত্ৰতা দেখা যায় সেই বৈচিত্ৰ্য আন আধুনিক ভাৰতীয় আৰ্যভাষাত পোৱা নাযায়।
- অসমীয়া, বাংলা, উড়িয়া— এই তিনিওটা ভাষাতে বিভিন্ন বিশেষণ শব্দৰ প্ৰয়োগ আছে আৰু তিনিওটা ভাষাৰে এই বিশেষণবোৰক কেইবাটাও ভাগত ভগাব পাৰি। ক্ৰিয়া বিশেষণ গঠনৰ ক্ষেত্ৰত বাংলা ভাষাত বৈচিত্ৰ্য দেখা যায়। তিনিওটা ভাষাতে বিশেষণৰ তুলনা কৰিবলৈ দুটা পদ্ধতি অৱলম্বন কৰা হয়— এটা সংস্কৃতীয়া, আনটো নিজা। বিশেষণৰ তুলনা কৰোঁতে

তিনিওটা ভাষাৰে নিজস্ব পদ্ধতিৰ ক্ষেত্ৰত বিচিত্ৰতা পৰিলক্ষিত হয়। অৱশ্যে উড়িয়া ভাষাৰ তুলনাত অসমীয়া আৰু বাংলা ভাষাত বিশেষণৰ তাৰতম্যৰ ক্ষেত্ৰত অধিক বৈচিত্ৰ্য দেখা যায়। উড়িয়া ভাষাত বিশেষ বৈচিত্ৰ্য নাই বুলিবই পাৰি।

- অসমীয়া, বাংলা আৰু উড়িয়া ভাষাত ছবিধ কাৰক আৰু এবিধ সম্বন্ধ পদ পোৱা যায়। তিনিওটা ভাষাতে কাৰক আৰু সম্বন্ধ পদ চিনি উলিয়াবৰ বাবে শব্দবিভক্তি আৰু অনুসৰ্গ ব্যৱহাৰ কৰা হয়। কিছুমান কাৰকৰ অৰ্থ প্ৰকাশ কৰিবলৈ তিনিওটা ভাষাতে শূন্য বিভক্তিৰ প্ৰয়োগ এটা মন কৰিবলগীয়া বিশেষত্ব। বাংলা আৰু উড়িয়া ভাষাৰ সম্প্ৰদান কাৰকৰ বিপৰীতে অসমীয়া ভাষাত নিমিত্ত কাৰকৰ ব্যৱহাৰ আছে। অসমীয়া ভাষাত অপাদান কাৰক আছে যদিও পঞ্চমী বিভক্তিৰ প্ৰয়োগ নাই। অপাদান কাৰকৰ অৰ্থ প্ৰকাশ কৰিবলৈ অসমীয়া ভাষাত ষষ্ঠী 'ৰ'ৰ পাছত 'পৰা' পৰসৰ্গ সংযোগ কৰা হয়। আনহাতে বাংলা আৰু উড়িয়া ভাষাত অপাদান কাৰক আৰু পঞ্চমী বিভক্তি দুয়োটাই আছে।
- অসমীয়া, বাংলা আৰু উড়িয়া— এই তিনিওটা ভাষাতে প্ৰয়োগ হোৱা সৰ্বনামসমূহক কেইবাটাও ভাগত ভাগ কৰিব পাৰি। তিনিওটা ভাষাতে যথেষ্ট ব্যক্তিবাচক সৰ্বনামৰ প্ৰয়োগ আছে আৰু এই ব্যক্তিবাচক সৰ্বনামবোৰৰ তিনিওটা ভাষাতে তিৰ্যক ৰূপ পোৱা যায়। তিনিওটা ভাষাতে বচন অনুযায়ী সৰ্বনামৰ ৰূপবোৰ বেলেগ বেলেগ। তিনিওটা ভাষাতে দ্বিতীয় পুৰুষৰ সৰ্বনামৰ ক্ষেত্ৰত তুচ্ছ, মান্য আৰু অধিক মান্য— এই তিনিটা ৰূপ পোৱা যায়। সৰ্বনামৰ ক্ষেত্ৰত বাংলা আৰু উড়িয়া ভাষাতকৈ অসমীয়া ভাষা অধিক চহকী।
- ক্ৰিয়াৰূপৰ ক্ষেত্ৰত অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ মাজত বহুতো সাদৃশ্য আছে। তিনিওটা ভাষাতে ধাতুসমূহৰ শ্ৰেণীবিভাজন একেই। আনকি ধাতুসমূহৰ মাজতো মিল লক্ষ্যণীয়। মাত্ৰ অজ্ঞাতমূলৰ (সংশয়াত্মক) ধাতুসমূহৰ মাজতহে পাৰ্থক্য দেখা যায়। তিনিওটা ভাষাৰে ক্ৰিয়াৰ প্ৰকাৰৰ ক্ষেত্ৰত সাদৃশ্য দেখা যায়। মাত্ৰ ক্ৰিয়া ৰূপবোৰ গঠন হোৱা ক্ৰিয়া বিভক্তিবোৰ ভিন্ ভিন্। ক্ৰিয়াৰ কালৰ ক্ষেত্ৰত তিনিওটা ভাষাৰে শ্ৰেণী বিভাজন প্ৰায় একে হোৱা দেখা যায়। মাত্ৰ ভৱিষ্যৎ কালৰ ক্ষেত্ৰত উড়িয়া ভাষাত কিছু পাৰ্থক্য পৰিলক্ষিত হয়। ভৱিষ্যৎ কালৰ ক্ষেত্ৰত অসমীয়া ভাষাৰ প্ৰথম পুৰুষত কাল নিৰ্দেশক 'ম' ৰূপটো সংযোগ হয়, কিন্তু বাংলা আৰু উড়িয়া ভাষাত 'ব' ৰূপটো লগ লগা দেখা যায়। ক্ৰিয়া ভাব আৰু বাচ্যৰ ক্ষেত্ৰত তিনিওটা ভাষাৰ মাজত যথেষ্ট সাদৃশ্য দেখিবলৈ পোৱা যায়।

গতিকে একে মূলৰ পৰা উদ্ভৱ আৰু বিকাশ লাভ কৰা অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ৰূপতাত্ত্বিক দিশত যথেষ্ট সাদৃশ্য আছে। অৱশ্যে তিনিওটা ভাষাতে এনে কিছুমান বৈশিষ্ট্য পৰিলক্ষিত হয় যিবোৰে আটাইকেইটা ভাষাৰে স্বকীয়ত্ব প্ৰতিপন্ন কৰে। উড়িয়া আৰু বাংলা ভাষাৰ তুলনাত অসমীয়া ভাষাই আৰ্যভিন্ন ভাষাৰ প্ৰভাৱত ৰূপতাত্ত্বিক দিশত কিছু বিচিত্ৰতা লাভ কৰিছে। অৰ্থাৎ অসমীয়া ভাষাৰ ৰূপতত্ত্বই বিভিন্ন দিশত আৰ্যভিন্ন উপাদান আহৰণ কৰিছে আৰু এইবোৰে সমগোত্ৰীয় বাংলা আৰু উড়িয়া ভাষাৰ তুলনাত অসমীয়া ভাষাক সুকীয়া বৈশিষ্ট্যৰে সমুজ্জ্বল কৰি তুলিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১২ ঃ অসমীয়া, বাংলা আৰু উড়িয়া— এই তিনিওটা ভাষাতে প্রয়োগ হোৱা সর্বনামসমূহৰ এটি তুলনামূলক আলোচনা দাঙি ধৰক। (৭০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....



৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বাংলা আৰু উড়িয়া ভাষাৰ ৰূপতত্ত্বৰ অন্তর্গত বিভিন্ন দিশৰ এক সামগ্রিক তথা বিস্তৃত আলোচনা উদাহৰণসহ দেখুওৱা হৈছে।
- বাংলা আৰু উড়িয়া ভাষাৰ ৰূপতাত্ত্বিক দিশৰ লগত অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ কি কি ক্ষেত্রত সাদৃশ্য আৰু বৈসাদৃশ্য আছে সেইখিনি দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।
- এই তুলনামূলক অধ্যয়টোৰ পৰা অসমীয়া, বাংলা আৰু উড়িয়া ভাষা গাঁথনিক দিশত কিমান ওচৰ চপা সেই কথাও প্রতিপাদিত হৈছে।



৮.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গোস্বামী, উপেন্দ্রনাথ (১৯৮৫); *প্রত্ন অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বিশ্লেষণ;* গুৱাহাটী ঃ অসম সাহিত্য সভা।

২) গোস্বামী, উপেন্দ্রনাথ (১৯৯৭); *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৩) গোস্বামী, উপেন্দ্রনাথ (২০০০); *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ;* গুৱাহাটী ঃ বৰুৱা এজেন্সি।

৪) গোস্বামী, গোলোকচন্দ্র (১৯৯৩); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৫) গোস্বামী, গোলোকচন্দ্র (২০০০); *অসমীয়া ব্যাকৰণৰ প্রবেশ;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৬) নেওগ, মহেশ্বৰ (১৯৯৯); *নিকা অসমীয়া ভাষা;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৭) পাঠক, ৰমেশ (২০০০); *অসমীয়া ভাষাৰ ইতিহাস;* গুৱাহাটী ঃ অসম অকাডেমিক চেণ্টাৰ।

৮) পাঠক, ৰমেশ (১৯৮৮); *ব্যাকৰণ আৰু প্রাকৃতি বিজ্ঞান;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৯) পাটগিৰি, দীপ্তি ফুকন (১৯৯৯); *আধুনিক অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বুক হাইভ।

১০) পাটগিৰি, দীপ্তি ফুকন (২০০৪); *অসমীয়া বাংলা আৰু উড়িয়া ভাষা ঃ তুলনামূলক অধ্যয়ন;* গুৱাহাটী ঃ বনলতা।

১১) বৰা, লীলাৱতী শইকীয়া (২০০৬); *অসমীয়া ভাষাৰ ৰূপতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

বাংলা গ্রন্থ ঃ

১২) গোস্বামী, কৃষ্ণপদ (২০০১); *বাংলা ভাষাতত্ত্বের ইতিহাস;* কলকাতা ঃ করুনা প্রকাশনী।

১৩) ঘোষ, জগদীশ এবং অনিলচন্দ্র (২০০৩); *আধুনিক বাংলা ব্যাকরণ ও রচনা;* কলকাতা ঃ প্রসিডেন্সী লাইব্রেরী।

১৪) চট্টোপাধ্যায়, সুনীতি কুমার (১৯৮৯); *বাংলা ভাষা প্রসঙ্গে;* কলকাতা ঃ জিজ্ঞাসা এজেন্সিজ লিমিটেড।

১৫) চক্রৱর্তী, বামনদেৱ (২০০৩); *উচ্চতর বাংলা ব্যাকরণ;* কলকাতা ঃ অক্ষয় মালঞ্চ।

১৬) চাকী, জ্যোতিভূষণ (১৯৯৬); *বাংলা ভাষার ব্যাকরণ;* কলকাতা ঃ আনন্দ পাব্লিচার্স প্রাইভেট লিমিটেড।

১৭) মজুমদার, পরেশচন্দ্র (১৯৮৭); *আধুনিক ভারতীয় ভাষা প্রসঙ্গে;* কলকাতা ঃ দে'জ পাব্লিশিং।

১৮) মুখোপাধ্যায়, বৈদ্যনাথ (১৯৯৬); *বাংলা মাধ্যমিকী;* কলকাতা ঃ প্রান্তিক প্রকাশন।

১৯) শ, রামেশ্বৰ (১৯৯৬); *সাধারণ ভাষাবিজ্ঞান ও বাংলা ভাষা;* কলকাতা ঃ পুস্তক বিপণি।

২০) সেন, সুকুমাৰ (১৯৯৯); *ভাষাৰ ইতিবৃত্ত;* কলকাতা ঃ আনন্দ পাব্লিশার্স প্রাইভেট লিমিটেড।

উড়িয়া গ্রন্থ ঃ

২১) প্রধান, কৃষ্ণচন্দ্র (২০১২); *সাৰস্বত ব্যৱহাৰিক উড়িয়া ব্যাকৰণ;* কটক ঃ সত্যনাৰায়ণ বুক ষ্ট'ৰ, বিনোদ বিহাৰী।

ইংৰাজী গ্রন্থ ঃ

২২) Bhattacharjy, K. (1993). *Bengali-Oriya Verb-Morphology : A Constructive Study.* Calcutta: Das Gupta Co. Pvt. Ltd.

২৩) Chatterji, S. K. (1979). *Origin and Development of the Bengali Language.* London: George Allen & Unwin

২৪) Dutta Baruah, P. N. (1978). *A Comparative Analysis of the Morphological Aspects of Assamese and Oriya.* (Ph. D. Thesis). Guwahati: Gauhati University.

২৫) Kakati, B (2007). *Assamese Its Formation and Development.* Guwahati: L.B.S. Publication.

৮.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ টুক, টুকু, গাছ, গাছি।

৩ নং প্রশ্নৰ উত্তৰ ঃ খাটী বাংলা ভাষাত বিশেষণৰ তাৰতম্য বুজাবৰ বাবে কোনো প্রত্যয় যোগ নহয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ বাংলা ভাষাত সম্বন্ধ পদক ধৰি ৭ বিধ শব্দবিভক্তি পোৱা যায়।

৫ নং প্রশ্নৰ উত্তৰ ঃ বাংলা ভাষাৰ নির্দেশক সর্বনামবোৰ দুটা ভাগত বিভক্তি— সামীপ্যবাচক আৰু দূৰত্ববাচক।

৬ নং প্রশ্নৰ উত্তৰ ঃ বাংলা ভাষাৰ মৌলিক ধাতুসমূহক — তদ্ভৱ ধাতু, সংস্কৃতৰ পাচনী ধাতুৰ পৰা উদ্ভূত ধাতু, তৎসম আৰু অর্দ্ধতৎসম ধাতু আৰু সংশয়াত্মক ধাতু— এই চাৰিটা ভাগত ভাগ কৰা

৭ নং প্রশ্নৰ উত্তৰ ঃ দ্বিবচন বুজাবলৈ উড়িয়া ভাষাত 'দুই' ৰূপটি ব্যৱহাৰ কৰা হয়।

৮ নং প্রশ্নৰ উত্তৰ ঃ হলুআ, ভেণ্ডিআ (নিত্য পুংলিংগবাচক), বিধবা, সৌতুনী (নিত্য স্ত্রীলিংগবাচক)।

৯ নং প্রশ্নৰ উত্তৰ ঃ উড়িয়া ভাষাত দুটা বস্তু বা ব্যক্তি আৰু বহু বস্তু বা ব্যক্তিৰ তুলনা কৰিবলৈ হ'লে 'ঠাৰু' যোগ দিয়া হয়।

১০ নং প্রশ্নৰ উত্তৰ ঃ উড়িয়া ভাষাৰ দ্বিতীয় পুৰুষত তিনিটা ৰূপ পোৱা যায়।

১১ নং প্রশ্নৰ উত্তৰ ঃ উড়িয়া ভাষাতো ক্রিয়াৰ বাচ্য চাৰি প্রকাৰৰ— কর্তৃবাচ্য, কর্মবাচ্য, ভাববাচ্য আৰু কর্ম-কর্তৃবাচ্য।

১২ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া, বাংলা আৰু উড়িয়া— এই তিনিওটা ভাষাতে প্রয়োগ হোৱা সর্বনামসমূহক কেইবাটাও ভাগত ভাগ কৰিব পাৰি। তিনিওটা ভাষাতে যথেষ্ট ব্যক্তিবাচক

সর্বনামৰ প্রয়োগ আছে আৰু এই ব্যক্তিবাচক সর্বনামবোৰৰ তিনিওটা ভাষাতে তির্যক ৰূপ পোৱা যায়। তিনিওটা ভাষাতে বচন অনুযায়ী সর্বনামৰ ৰূপবোৰ বেলেগ বেলেগ। তিনিওটা ভাষাতে দ্বিতীয় পুৰুষৰ সর্বনামৰ ক্ষেত্রত তুচ্ছ, মান্য আৰু অধিক মান্য— এই তিনিটা ৰূপ পোৱা যায়। সর্বনামৰ ক্ষেত্রত বাংলা আৰু উড়িয়া ভাষাতকৈ অসমীয়া ভাষা অধিক চহকী।



৮.৯ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) ক্রিয়াৰ ভাব বুলিলে কি বুজায়?

খ) বাংলাৰ বিশেষ্যৰ বিশেষণ কেই প্রকাৰৰ আৰু কি কি?

গ) উড়িয়া ভাষাৰ ধাতুসমূহক প্রকৃতি আৰু উৎসৰ ফালৰ পৰা কেইটা ভাগত ভাগ কৰা হৈছে?

চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ সাধিত ধাতুসমূহৰ গঠন সম্পর্কে আলোচনা কৰক।

প্রশ্ন ২ ঃ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ক্রিয়াভাব সম্পর্কে এটি তুলনা দাঙি ধৰক।

প্রশ্ন ৩ ঃ অসমীয়া বাংলা আৰু উড়িয়া ভাষাৰ বচনবাচক প্রাকৃতিসমূহৰ বিষয়ে এটি তুলনামূলক আলোচনা যুগুত কৰক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ লিংগৰ স্বৰূপ কেনেধৰণৰ। তিনিওটা ভাষাৰে লিংগ নির্ণয়ৰ ক্ষেত্রত দেখা দিয়া মিল-অমিলবোৰ ফঁহিয়াই বুজাই লিখক।

প্রশ্ন ২ ঃ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ বিশেষণৰ প্রকাৰভেদ সম্পর্কে লিখি তিনিওটা ভাষাৰে বিশেষণৰ তাৰতম্যৰ পার্থক্যসমূহ উল্লেখ কৰক।

প্রশ্ন ৩ ঃ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ শব্দ বিভক্তিৰ এটি তুলনামূলক আলোচনা দাঙি ধৰক।

প্রশ্ন ৪ ঃ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ব্যক্তিবাচক সর্বনামসমূহৰ মিল-অমিল দেখুৱাই এটি আলোচনা আগবঢ়াওক।

****